بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ১১ আগষ্টত মছজিদ বায়তুল ফুতুহ, মৌৰডন, লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

আমি আহমদী সকলে যেতিয়া এখন শান্তি সম্প্ৰীতিময় সমাজ সম্পৰ্কে বিশ্ববাসীক আহ্বান জনাওঁ তেতিয়া আমি আমাৰ সকলো কাৰ্যক্ৰমনিকাত সমাজৰ শান্তি সম্প্ৰীতি সম্পৰ্কে গঠন মুলক চেষ্টা কৰা উচিত।

তাশ্বাহুদ, তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; প্ৰত্যেক আহমদী, যিজনে নিজকে নিজে হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ অন্তৰ্ভূক্ত কৰে, তেওঁ আধ্যাত্মিক, চাৰিত্ৰিক, শৈক্ষিক, আৰু ঈমানৰ উৎকৰ্ষ সাধনৰ এটা শপত গ্ৰহন কৰে। বৰ্তমান যুগত যিহেতু আল্লাহ তায়লা আমাক এম.টি.এ ৰ দৰে নিয়ামত প্ৰদান কৰিছে আৰু ইয়াৰ দ্বাৰা প্ৰচাৰিত হোৱা জামাতী প্ৰোগ্ৰাম, জলছা, খোতবা, বিশ্বব্যাপি বয়াতৰ অনুষ্ঠান আদিত লাখ-লাখ আহমদীয়ে অংশ গ্ৰহন কৰিব পাৰিছে গতিকে প্ৰত্যেকজন আহমদী, সেই জন জন্মগত আহমদী হওঁক বা বয়াত কৰি আহমদীয়ত গ্ৰহন কৰোতাই হওঁক কোনেও এয়া কব নোৱাৰে যে আমি বয়াতৰ প্ৰতিশ্ৰুতি প্ৰদান সম্পৰ্কে একো নাজানো।

গতিকে যদি এই বিষয়ে জনাৰ প্ৰয়োজন আছে তেন্তে আমি বয়াত গ্ৰহনৰ পিছত ইয়াৰ অতি গুৰি জানিবলৈ চেষ্টা কৰিব লাগিব আৰু বয়াতৰ চৰ্ত সমুহ আগত ৰাখিব লাগিব। যদি আমি বয়াতৰ চৰ্তত বৰ্ণিত সেই চাৰিত্ৰিক উৎকৰ্ষৰ চৰ্তটো সন্মুখত ৰাখো তেন্তে আমাৰ চাৰিত্ৰিক মানদণ্ড, সামাজিক সম্পৰ্ক ব্যাৱসায়িক বিষয় আৰু দৈনন্দিন লেন-দেন বিষয় আদিত, ঘৰৰ আৰু পাৰিবাৰিক বিষয় সমুহত অসাধাৰণ কল্যাণ আৰু শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হ'ব পাৰে। কিন্তু আমাৰ মাজত বহুতেই এনেকুৱা আছে, যি সকলে এই মানদণ্ডৰ পৰা বহুত আঁতৰত বৈ আছে যিবোৰ হজৰত মছিহ মাওউদ (আঃ) য়ে আমাৰ পৰা প্ৰত্যাশা কৰিছে। এই সম্পৰ্কে তেখেত (আঃ) য়ে নিজৰ প্ৰদত্ত চৰ্তত যিবোৰ বিষয়লৈ মনযোগ আকৰ্ষণ কৰিছে তাৰ কিছুমান হ'ল এয়া যে; মিছা কথা নকবা, অন্যায় নকৰিবা, আত্মসাৎ কৰাৰ পৰা আঁতৰত থাকিবা, কু-প্ৰবৃত্তিৰ হাতত পৰাস্ত নহবা, সাধাৰণতে জগত বাসীক আৰু বিশেষকৈ মুছলমান সকলক নিজৰ প্ৰবৃত্তিৰ প্ৰৰণতাত, হাত অথবা কথাৰে কষ্ট নিদিবা, অহংকাৰ নকৰিবা, নম্ৰতা বিশিষ্ট হবা, উৎফুল্ল চেবেহী অৱয়ব প্ৰদৰ্শন কৰি জীৱণ অতিবাহিত কৰিবা। মুঠতে মানৱ জাতিৰ কল্যাণ সাধনৰ চেষ্টা কৰিব লাগিব।

যদি আমি এইবোৰ বিষয়ত মনযোগ দিওঁ তেন্তে নিজৰ চাৰিত্ৰিক মান উন্নত কৰিব পাৰিম। যদি আমি নিৰীক্ষণ কৰি চাওঁ তেন্তে আমাৰ মাজত এটা চিন্তনীয় সংখ্যক লোক এনেকুৱা আছে, যি সকলে বয়াত কৰা সত্বেও শপত লোৱাৰ বিষয় সমুহৰ ওপৰত আমল নকৰো যেতিয়ালৈ আমি নিজাববীয়াকৈ এইবোৰ কথা মানি নচলো, য'ত আমি নিজৰ অধিকাৰ উচ্চৰ্গা কৰি অথবা নিজকে নিজে কষ্টত সম্পৰ্ন কৰি উত্তম চৰিত্ৰ গঠন কৰিবলৈ আছে, সেয়া নকৰো বৰং কওঁ যে এইবোৰ উত্তম চৰিত্ৰ আমি প্ৰদৰ্শন কৰা উচিত আৰু যিজনে এয়া নকৰে তেওঁ বৰ অন্যায় কৰে, তেতিয়া আমি প্ৰভাৱিত হৈ পৰো। কিন্তু তেতিয়া আমাৰ মাজৰ বেছি ভাগেই এই চৰিত্ৰ সম্পৰ্কে পাহৰি যায়। মই দেখিছো যে বিচাৰ সম্পৰ্কীয় কিছুমান বিষয় যেতিয়া মোৰ ওচৰত আহে তেতিয়া সচা-মিছা নিৰ্নয় কৰাৰ পৰিবৰ্তে, ন্যায় পোৱাৰ সলনি ঈমান হীনতা আৰু জেদৰ এনেকুৱা বহিঃপ্ৰকাশ ঘটে যে

সেয়া আচৰিত জনক। গতিকে আহমদী উকিল আৰু পক্ষ দুটাৰ উচিত যে নিজৰ বয়াতৰ প্ৰতিশ্ৰুতি আৰু আল্লাহ তায়লাৰ ভয় নিজৰ লাভৰ ওপৰত যেন প্ৰাধান্য দিয়ে। এনে ক্ষেত্ৰত এজন মোমিনৰ কৰ্ত্তব্য হ'ল কাজিয়া দীঘলীয়া কৰাৰ সলনি, নিজৰ জেদ ধৰি থকাৰ সলনি আল্লাহ তায়লাৰ সন্তুষ্টি নিজৰ হৃদয়ত কোমলতা আনি জমাতৰ নিজাম অথবা কাজা বিভাগত গোচৰ তৰিব লাগে। লগতে এয়া চেষ্টা হ'ব লাগে যে আমি পৰস্পৰে ভাই-ভাই। আমি এইবোৰ ভূল ধাৰণা আৰু জায়েজ-নাজায়েজ অভিযোগ এৰি পৰস্পৰে প্ৰেম ভালপোৱাৰ মাজেৰে জীৱণ যাপন কৰিব লাগিব।

কিন্তু যদি দুয়ো পক্ষই আঁকোৰ-গোজ স্বভাৱৰ লোক হয় তেন্তে জমাতি নিজামেই হওঁক বা কাজা হওঁক অথবা দেশীয় আদালতেই হওক, তেওঁলোকে যেনেকৈয়ে ন্যায় ৰায় প্ৰদান নকৰক কিয়, মামলা নিষ্পত্তি নহয়। মাজে সময়ে ন্যায় বিচাৰ পাবলগীয়া জনৰ হ'ক নোপোৱা হৈ যায় বা হ'ক প্ৰদান কৰা নহয় অথবা ৰায় মানি নলয়। অৱশেষত মোলৈ লিখি পঠিয়ায় যে মোৰ ওপৰত বৰ অন্যায় চলি আছে আপুনি বিষয়টো চাওঁক। এনে ধৰণৰ অভিযোগ কেতিয়াও শেষ নহয়।

গতিকে যদি কাজিয়া বিবাদ দুৰ কৰিবৰ মন আছে তেন্তে জেদ ভাৱ পৰিহাৰ কৰাৰ প্ৰয়োজন আছে। মাজে সময়ে কাজিয়া নিষ্পত্তিৰ বাবে পাবলগীয়া হ'ক আদায় দিয়াৰ বাবে অইন পক্ষক সুবিধা দিব লগীয়া হয়, কেতিয়াবা সেই হ'ক এৰি দিব লগাও হয়। এই বিষয়ে আল্লাহ তায়লা আমালোকক কি শিক্ষা দিছে? আল্লাহ তায়লা কৈছে যে;

وان كان ذو عسرة فنظرة الى ميسرة وان تصدقوا خيرا لكم ان كنتم تعلمون-

অৰ্থাৎঃ- আৰু যদি কোনোবাই অভাৱ গ্ৰস্থ অৱস্থাত আহে তেন্তে তাৰ সা-সুবিধা হোৱালৈকে তেওঁক সময় দিয়া উচিত আৰু যদি তুমি সিয়া ঋণ তাক ৰেহাই দিয়া তেন্তে আটাইতকৈ ভাল, যদিহে তোমালোকে জানিলাহেঁতেন। তোমালোকে চিন্তা কৰা উচিত যে এনেকুৱা অৱস্থা আমাৰ ওপৰতও আহিব পাৰে। আটাইতকৈ ডাঙৰ কথা হ'ল যে আল্লাহ তায়লা আমাৰ বহুতো বিষয়ত সহজ কৰি দিয়ে, যদি আল্লাহ যিজন সকলো শক্তিৰ গৰাকী, আমাক আমাৰ কাৰ্য্যৰ পৰিণতিত গ্ৰেপ্তাৰ কৰিবলৈ লয় তেন্তে আমাৰ কোনো অস্তিত্ব নাথাকিব। গতিকে আমি পাৰস্পৰিক বিষয় সমুহত দয়া আৰু সহজ সুলভ ব্যাৱহাৰ কৰিব লাগিব। দৈনন্দিন বিষয় সমুহত, ব্যাৱসায় বাণিজ্যত, ঋণ আদি লেন-দেনৰ ক্ষেত্ৰত, এই নীতি অৱলম্বন কৰা উচিত। আঁহজৰত (ছাঃ) য়ে মোমিন সকলক বাৰবাৰ নিৰ্দেশ দিছে যে তোমালোকে জগতত দয়াৰে সৈতে সকলো সমাপন কৰা, আল্লাহ তোমালোকলৈ দয়ালু হ'ব। আমি সদায় মনত ৰখা উচিত যে আমাৰ এদিন হিচাপ হ'ব, সেইদিনা যদি আল্লাহ তায়লা কেৱল ন্যায়ৰ ওপৰত ৰায় প্ৰদান কৰিবলৈ লয় তেন্তে ক্ষমা লাভ বৰ টান হৈ পৰিব। গতিকে আল্লাহ তায়লাৰ দয়া আৰু ক্ষমা লাভৰ বাবে আমি পৃথিৱীত পৰস্পৰে দয়ালু হ'ব লাগিব। কেৱল কঠোৰতা, গ্ৰেপ্তাৰি আৰু হ'ক আদায়ৰ চিন্তা কৰিলে নহব।

যদি আমি কোৰ'আন কৰিমৰ এই সোনালী হিদায়ত মনত ৰাখো আৰু আঁহজৰত (ছাঃ) ৰ নিৰ্দেশ মানি চলো তেন্তে এটা শান্তি সম্প্ৰীতিময় সমাজ প্ৰতিষ্ঠিত হ'ব। অ-শান্তি বিৰাজ নকৰিব লগতে বিভাগীয় কাৰ্য্য বিধি কাৰ্য্যকৰী কৰিবলৈ কোনো ধৰণৰ অসুবিধা নহয়। দন্ধ-বিবাদ দুৰীভূত হলে গঠনমুলক কামৰ পৰিক্লপনা হাতত লৱ পাৰিব। মোৰ সময়ও এইবোৰ অযথা কামত নষ্ট নহব। মাজে সময়ে কিছুমান মামলা চাইচিতি লৈ দুয়ো পক্ষক উত্তৰ দিব লগা হয়। কিন্তু যদি সেই ৰায় বা উত্তৰ অভিযোগ কাৰীৰ মনপুত নহয় তেন্তে নিজৰ জেদত অটুট থাকে আৰু আঁকোৰ-গোজালিৰে ভাৱে যে আমিয়ে সঠিক, শুদ্ধ। তেওঁলোকে এয়া জেদ ধৰে যে, ৰায় আমাৰ হকে হ'ব লাগে, সুবিধা আমি একো দিব নোৱাৰো। মই স্পষ্ট ভাৱে লিখি দিয়াৰ পিছত মাজে সময়ে কিছুমানে তিনি-চাৰি মাহ পিছত দৃঢ়তাৰে লিখি পঠায় যে আমি এই মামলা সম্পৰ্কে লিখি পঠাইছিলো আৰু আমি ন্যায়ৰ ওপৰত আছো গতিকে মামলা আকৌ নিৰীক্ষণ কৰি আমাক আমাৰ হ'ক প্ৰদান কৰিব লাগে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; যদি একপক্ষই ভাৱে যে ৰায় সিদ্ধান্ত তেওঁলোকৰ ফালে হ'ব লাগে কিন্তু ৰায় সিহঁতৰ বিৰুদ্ধে যায় তেন্তে কাজাৰ ওপৰত বা কাজিৰ ওপৰত দোষ জাপি দিয়া উচিত নহয়। কিছুমান লোকৰ এদেৰে আনৰ ওপৰত দোষ জাপি দিয়াৰ অভ্যাস আছে। যদি কোনো সিদ্ধান্ত ভূল বা সন্দেহযুক্ত হয় আৰু পক্ষ দুটায় সিদ্ধান্তত গোলমাল থকা বুলি দৰখাস্ত কৰে তেন্তে মই সেই মামলা দ্বিতীয়বাৰ চেক কৰি চাওঁ। কিন্তু তাৰে বেছি সংখ্যক ৰায় শুদ্ধ থকা দেখা যায়। কেৱল কু-অভিসন্ধিৰ কাৰণে মনত সন্দেহৰ জন্ম হয়। গতিকে কু-অভিসন্দিৰ পৰা দুৰত থকা উচিত।

কাজাৰ মামলাবোৰ সাধাৰণতে লেন-দেন, ব্যৱসায় বাণিজ্য অথবা পাৰিবাৰিক বিয়া বাৰুৰ বিষয়ে হৈ থাকে, যিবোৰ পোন পটীয়াকৈ আৰ্থিক লেন-দেনত পৰিণত হয়। পতি-পত্নীৰ বিবাদত হ'ক মোহৰ বস্তু বাহিনী আদায়ৰ বিষয় আহি যায়। প্ৰত্যেক মামলাৰ মাজত কোনো নহয় কোনো প্ৰকাৰে অৰ্থ বিষয়টো অন্তৰ্ভূক্ত হৈ পৰে। লগতে সময় সুবিধা দিয়াৰ যি নীতি সেয়া সকলো ঠাইতেই অলপ হলেও প্ৰয়োজন হৈ পৰে। পাৰিবাৰিক মামলা সমুহত নগদ ধন আদায় আৰু লেন-দেনৰ গোচৰত টকা-পইচা আদায় দিয়া আকৌ পাৰিবাৰিক মামলাত হ'ক মোহৰ আদায় দিয়াটো পতিৰ বাবে এক ধৰণৰ ঋণ পৰিশোধ কৰা। এনেদৰে যদি ঋণ পৰিশোধ কৰাৰ মামলা আছে আৰু কাজাত সেয়া পৰিশোধৰ বাবে কিস্তি নিৰ্দ্ধাৰিত কৰি দিয়ে তেন্তে সেই ক্ষেত্ৰতো অইন পক্ষই আপত্তি উত্থাপন কৰে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; মোমিন সকলে পাৰস্পৰিক হ'ক আদায় দিযাৰ ক্ষেত্ৰত আগ্ৰহ দেখুৱা উচিত। বহুত ক্ষেত্ৰত এনেকুৱা হয় যে হ'ক পাওনাদাৰৰ আচৰণ কোমল তথাপি হ'ক প্ৰদান কৰোঁতাৰ ব্যাৱহাৰে মামলা নিষ্পত্তি হ'ব নিদিয়ে আৰু অভিযোগ উঠায় যে আমাৰ লগত কোমলতা প্ৰদৰ্শন কৰা হোৱা নাই। এই বিষয়ে আঁহজৰত (ছাঃ) ৰ কেইটামান নিৰ্দেশ উল্লেখ কৰিবলৈ লৈছো। তেখেত (ছাঃ) য়ে কৈছে; আল্লাহ তায়লা সহজ সভ্যতা জন্ম দিয়া লোকৰ ওপৰত দয়া বৰ্ষণ কৰক যেতিয়া সিহঁতে বেচা কিনা কৰে আৰু তেওঁলোকে ঋন পৰিশোধৰ চেষ্টা কৰে। আকৌ তেখেত (ছাঃ) য়ে সহজ আৰু সাসুবিধা প্ৰদান কাৰীলৈ সুসংবাদ প্ৰদান কৰি আৰু বেলেগক এই বিষয়ে উৎসাহ দি কৈছে যে; আল্লাহ তাযলা এজন ব্যাক্তিক বেহেস্তত যাবলৈ দিয়ে, যিজনে বেচা-কিনাৰ সময়ত ঋণ পৰিশোধ কৰাৰ সময়ত সহজ সুলভ ব্যাৱহাৰ কৰিছিল। আন এটা ৰেৱায়েত আছে তেখেত (ছাঃ) য়ে কৈছে যে; যিজন ব্যাক্তিয়ে অভাৱ গ্ৰস্থ ঋণীক ঋণ আদায় দিয়াৰ বাবে সময় দিয়ে অথবা মাফ কৰি দিয়ে তেন্তে কিয়ামতৰ দিনা যেতিয়া আল্লাহ তায়লাৰ ছাঁ অবিহনে কোনো ছাঁ নাথাকিব তেতিয়া আল্লাহ তায়লা সেইজন ব্যাক্তিক নিজৰ আৰশ মহলৰ তলত ছাঁ দান কৰিব।

গতিকে যাৰ সামৰ্থ আছে তাৰ উচিত যে যিমান দুৰ সম্ভৱ তেওঁ ধৰুৱাৰ সৈতে কাজিয়া বিবাদ আৰু আদালতৰ ওচৰ চাপি সময় লগতে টকা পইচা নষ্ট কৰাৰ পৰিবৰ্ত্তে তাক সময় সুবিধা দিয়া উচিত। কিন্তু ইছলামে কেৱল এয়াই নকয় যে ঋণদাতা আৰু হ'ক আদায় কাৰীয়ে পৰিশোধ কৰোঁতাক সময় সুবিধা দি থাকিব। বৰং ইছলামে প্ৰত্যেক পক্ষক নিজৰ দায়িত্ব পালনৰ নিৰ্দেশ দিয়ে, যাৰ দ্বাৰা হৃদয়ৰ ঘৃণা বিদ্বেষ দুৰীভূত হয় আৰু শান্তি প্ৰতিৰ্ষ্ঠিত হয়। সেয়ে ধৰুৱাৰ ধাৰ পৰিশোধৰ বাবে কঠোৰ নিৰ্দেশ দিয়ে। হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ চৰ্তত এয়াও এটা চৰ্ত যে “ দন্ধ বিবাদৰ পৰা আতৰি থকাৰ চেষ্টা কৰিম ”। আঁহজৰত (ছাঃ) য়ে এই বিষয়ে কৈছে যে; সম্পদশালী সকলে নিজৰ ঋণ পৰিশোধ কৰাৰ ক্ষেত্ৰত টাল-মোটল কৰাটো অন্যায়। যদি তোমালোকক কোৱা হয় যে এনে গোলমাল কৰোঁতা জনৰ ওপৰত চাপ প্ৰয়োগ কৰি ঋণ পৰিশোধ বা আনৰ হ'ক আদায় দিয়াৰ বাবে বাধ্য কৰিব লাগে তেন্তে তাত কোনো ধৰণৰ কোমলতা বা সুবিধা দিয়াৰ প্ৰয়োজন নাই কাৰণ তাৰ ঋণ পৰিশোধৰ সামৰ্থ আছে।

আকৌ আঁহজৰত (ছাঃ) য়ে কৈছে যে; ঋণ পৰিশোধ কৰোঁতে কোনোবাই ছলনা বা ঘুৰা-পকা কৰিলে তাৰ ওপৰত শাস্তি বিহাটো ন্যায় সঙ্গত হৈ পৰে। গতিকে নিজামে জমাতৰ পৰা লোৱা ঋণ আত্মসাৎ কৰোঁতা জনক

শাস্তি দিব পাৰে যদি তেওঁ সহযোগ নকৰে। গতিকে যেতিয়া কাজাৰ সিদ্ধান্ত বা ৰায় মানি নোলোৱা আৰু হ’ক মাৰি খোৱা জনক কোনো শাস্তি হয় তেতিয়া চিঞৰ বাখৰ কৰা উচিত নহয় যে আমাৰ লগত কোমল আচৰণ কৰা হোৱা নাই। আল্লাহ তায়লাৰ ৰছুলে তেনেলোকক শাস্তি দিয়াৰ অধীকাৰ নিজামে জমাতক দিছে। সেশীয় আইনেও এনে লোকক শাস্তি দিয়ে। আঁহজৰত (ছাঃ) য়ে কৈছে যে; যিজনে ঘুৰাই দিয়াৰ নিয়তেৰে ধন ধাৰে লয় আল্লাহ তায়লা তাক ধ্বংস কৰি দিব। গতিকে যদি নিয়ত নেক হয় তেন্তে আল্লাহ তায়লা সা-সুবিধা আৰু উপায় সৰাবৰাহ কৰে আৰু ঋণ দাতাৰ মন দয়ালু বনাই দিয়ে। কিন্তু যদি নিয়ত নেক নহয় তেন্তে আল্লাহ তায়লায়ও তাক শাস্তি দিয়ে। আঁহজৰত (ছাঃ) য়ে এনে লোকৰ জানাজা পঢ়া নাছিল যাৰ ঋণ আছে অথচ তাৰ সা-সম্পত্তিৰে সেই ঋণ পৰিশোধ কৰাৰ ব্যৱস্থা কৰা নহয়। আঁহজৰত (ছাঃ) য়ে ঋণৰ পৰা ৰেহাই পোৱাৰ বাবে দোৱা কৰিছিল বৰং তেখেত (ছাঃ) য়ে ঋণ কাফিৰৰ সৈতে তুলনা কৰিছিল। গতিকে এটা ৰেৱায়েত আছে এজন চাহাবায় কৈছে যে মই আঁহজৰত (ছাঃ) ক এয়া কওঁতে শুনিছো; মই কাফিৰ আৰু ঋণৰ পৰা আল্লাহ তায়লাৰ আশ্রয় বিচাৰো। এজন ব্যাক্তিয়ে প্রশ্ন কৰে যে ইয়া ৰছুলুল্লাহ ঋণ আৰু কুফৰ সমান হয়নে ? আঁহজৰত (ছাঃ) য়ে; হয় ! বুলি উত্তৰ দিয়ে। সেয়ে ইয়াৰ হাত সাৰিবলৈ খোদা তায়লাৰ আশ্রয় প্রার্থনা কৰিব লাগে। ঋণ লোৱা সকলেও যিমানদুৰ সম্ভৱ ঋণ লোৱাৰ পৰা দুৰত থকাৰ চেষ্টা কৰা উচিত। আকৌ যদি লোৱা হয় তেন্তে সেয়া পৰিশোধ কৰাৰ চিন্তা আৰু চেষ্টা কৰা উচিত। গতিকে জমাতৰ সদস্যবৃন্দই এই ফালে মনযোগ দিয়া উচিত যে কেনেকৈ ঋণ পৰিশোধ কৰিব পাৰি। হজৰত খলিফাতুল মছিহ প্রথম (ৰাঃ) য়ে এটা তদবিৰ আলচ কৰিছে যে ধৰুৱাই ইস্তেগফাৰ বেছি কৰিব লাগে আৰু মিতব্যয়ী হ’ব লাগে অযথা খৰচ কৰিব নালাগে। অমিতব্যায়ীতাৰ বাবে বহুত জনে ঋণ লবলগা হয় কাৰণ অমিতব্যয়ী লোকৰ মনৰ হেপাহ দিনক দিনে বাঢ়ি যায়। তৃতীয়তে উল্লেখ কৰে যে যদি এক পইচাও যোগাৰ হয় সেয়া লগে-লগে ঋণদাতাক দি দিব লাগে। কিছুমান লোকে অনাহকতে ঋণ লৈ লয় এয়াও এটা অমিতব্যয়ীতা। মানুহে এবাৰ ঋণ লোৱা কৰিলে আকৌ সেই ফালে মন ঢাল খায়। গতিকে এইবোৰ অযথা ইচ্ছাৰ পৰা আঁতৰি থাকিব লাগে। এনেদৰে বহুত লোক আছে অভিজ্ঞতা বিহনেই ব্যাৱসায় আৰম্ভ কৰে আৰু ব্যাৱসায়ৰ নামত ঋণ লৈ লয়। অৱশেষত গৈ অভিজ্ঞতাৰ অভাৱত ব্যাবসায় নষ্ট বা লোকচান ভৰিব লগা হয়। এনে ক্ষেত্রত ঋণ লওঁতা আৰু দিওঁতা দুয়ো সাৱধান হোৱা উচিত যাতে পিছত গৈ অভিযোগ উত্থাপিত নহয়। গোচৰ তৰাৰ আগতে চিন্তা কৰি গমি চাই ঋণ দিব লাগে। যিয়েই নহওঁক আমি এইবোৰ বস্তুৰ পৰা আতৰত থকা উচিত।

আল্লাহ তায়লা আমাক নিজৰ-নিজৰ জীৱণত মোমিনৰ ৰং ধাৰণ কৰাৰ তৌফিক দান কৰক। এখন শান্তি-সম্প্রীতিৰ সমাজ গঠনৰ তৌফিক দান কৰক। যি উত্তম চৰিত্র আমাৰ পৰা হজৰত মছিহ মাওউদ (আঃ) য়ে প্রত্যাশা কৰিছে আৰু কোৰ’আন কৰিমত যি উল্লেখ আছে লগতে আঁহজৰত (ছাঃ) য়ে যি নির্দেশ দিছে সেয়া আপোন কৰি লবলৈ তৌফিক দান কৰক। (আমিন)

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 11 August 2017**

**BOOK POST (PRINTED MATTER)**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**